

# ভাৰত ৰাষ্ট্ৰৰ সদুত্তৰ কি ?




## মোৰ দেউতা ক'ত ?



## গণতান্ত্ৰিক ভাৰত ৰাষ্ট্ৰই দিবনে

## নিৰুদিষ্টৰ সন্ধান !

# আলফাৰ শুভেচ্ছা আৰু সহমৰ্মিতা

আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাই সন্ধানহীন স্বামীৰ সন্ধান, কাৰাৰুদ্ধ আলফা নেতাৰ মুক্তি আৰু অসম-ভাৰত সংঘাতৰ ৰাজনৈতিক মীমাংসাৰ দাবীত আমৰণ অনশনত বহা আলফা নেতাৰ পত্নীসকললৈ বিপ্লৱী শুভেচ্ছা আৰু একাত্মতা প্ৰকাশ কৰিছে। এক বিবৃতিত বিপ্লৱী সংগঠন আলফাৰ নেতাগৰাকীয়ে কয় যে আলফাৰ যোদ্ধাই 'হিট এণ্ড ৰান অৱস্থাৰ পৰা বুকুত বোমা বান্ধি শত্ৰুক আক্ৰমণ কৰা অৱস্থালৈ অহাৰ সময়ত নিৰস্ত্ৰ গণতান্ত্ৰিক প্ৰতিবাদৰ চূড়ান্ত ৰূপ আমৰণ অনশনত অৱতীৰ্ণ হৈ এইসকলে সংগ্ৰামৰ এক নতুন অধ্যায়ৰ সূচনা কৰিলে। মূলাগাভৰু, জয়মতীৰ দেশৰ বীৰাংগনা নাৰীয়ে দেশ-জাতিৰ দুৰ্যোগত নিজৰ কোলাৰ কেঁচুৱাকো একাষৰীয়া কৰি দেশৰ মহান স্বাৰ্থ পূৰণৰ বাবে মৃত্যুপণেই নহয় তিলতিলকৈ মৃত্যুক আঁকোৱালি লোৱাৰ যি এক বীৰত্বৰ চানেকি এইসকলে প্ৰতিষ্ঠা কৰিছে তাৰ বাবে জনগণৰ লগতে আলফাও গৰ্বিত বুলি সভাপতি ৰাজখোৱাই ঘোষণা কৰে।

লগতে ৰাজখোৱাই উল্লেখ কৰে যে আজি ২২ মাৰ্চ, ০৭ তাৰিখৰ অসমৰ একাংশ সংবাদমাধ্যমে এই আমৰণ অনশনকাৰীসকলে কেৱল সন্ধানহীন পতিসকলৰ সন্ধান বিচাৰিহে আমৰণ অনশনত বহিছে বুলি প্ৰচাৰ কৰিছে। এওঁলোকক কেৱল আলফা নেতাৰ পত্নী আৰু নাবালাক শিশুৰ সন্তানৰ মাতৃ হিচাপেহে তেওঁলোকৰ পৰিচয় দাঙি ধৰিছে। আমৰণ অনশনত অংশগ্ৰহণকাৰী প্ৰতিগৰাকীয়েই যে স্বাধীনতাকামীও সেইকথা সামান্যও প্ৰকাশ নকৰি প্ৰতিবাদৰ মূল ৰাজনৈতিক দিশটোকেই ঢাকি ৰখা দেখা গ'ল। এই প্ৰতিবাদকাৰীসকলৰ আটাইতকৈ ডাঙৰ মন্তব্য হ'ল আমি কাৰোবাৰ পত্নী বা কাৰোবাৰ মাতৃয়েই আমাৰ একমাত্ৰ পৰিচয় নহয়; আমাৰ প্ৰথম পৰিচয় এগৰাকী স্বাধীনতাকামী হিচাপেহে। গতিকে সন্ধানহীন পতিৰ সন্ধান বিচাৰৰ উপৰিও আমাৰ কৰণীয় আছে বুলি এইসকলে অসমৰ্ত সংঘৰ্ষলৈ পৰ্যবেশিত হোৱা সংঘাতৰ শান্তিপুৰ্ণ ৰাজনৈতিক সমাধানৰ দাবীত সৰ্বাধিক প্ৰাধান্য দিয়াৰ লগতে সকলো সন্ধানহীন সদস্যৰ সন্ধান বিচৰা আৰু কাৰাগাৰত বন্দী আলফাৰ কেন্দ্ৰীয় নেতৃত্বৰ নিঃচৰ্ত মুক্তিৰ দাবীত আমৰণ অনশনত বহিছে। সন্ধানহীন সকল মানে কেৱল তেওঁলোকৰ পতিসকলকেই বুজোৱা নাই, ই আলফাৰ সমুহ সন্ধানহীন সদস্যৰ উপৰিও এন.ডি.এফ.বি. আৰু কে.এল.ও.-ৰ সন্ধানহীন সদস্যসকলৰ কথাও উক্ত দাবীতেই সন্নিবিষ্ট হৈ আছে। এই দাবীত থকা সেই বহল দৃষ্টিভংগীটো আজিৰ প্ৰচাৰ মাধ্যমসমূহত প্ৰকাশ নহ'ল। এই মহান জাতীয় স্বাৰ্থৰ বিষয় কেইটাই প্ৰচাৰ মাধ্যমত গুৰুত্ব হেৰুওৱা কথাটোৱে আমাক অত্যন্ত চিন্তান্বিত কৰিছে আৰু প্ৰতিবাদৰ মূল ৰাজনৈতিক দিশটো ঢাকি ৰখাটোৱে অসমৰ সংবাদ মাধ্যমৰ অস্তিত্ব বিপন্ন হোৱাৰ লক্ষণহে প্ৰতিফলিত কৰিছে। (প্ৰতিদিন আৰু অন্য কাকতৰ সৌজন্যত)

দিগন্ত কোঁৱৰ (সদস্য , পি চি জি), প্ৰদীপ বুঢ়াগোহাঁই ( পি চি পি আই এৰ শিৱসগৰ জিলা গোট) আৰু তিলক মহন ( প্ৰাক্তন সচিব প্ৰধান, মাছ)ৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত

# আবেদন

প্ৰধানত চীন-তিব্বতীয় মূলৰ মংগোলীয় বিভিন্ন জনগোষ্ঠীৰ লগতে ককেচীয় আৰু দ্ৰাবিড় প্ৰজাতীয় মূলৰ জনসমষ্টিৰ সমন্বয় ও সংমিশ্ৰণৰ মাজেৰে অসমীয়া জাতি গঢ় লৈ উঠিছে। অসমীয়া জাতিৰ এক গৌৰৱোজ্জ্বল স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যৰ লগতে এক দীঘলীয়া ৰাজনৈতিক বুৰঞ্জী আছে। ইয়াণ্ডাবু সন্ধিৰ পাছৰে পৰা বৃটিছ ইণ্ডিয়াৰ অন্তৰ্ভূক্ত হোৱা অসমত তেতিয়াৰ পৰাই স্থানীয় জনগণে নিজৰ হৃত ৰাজনৈতিক অধিকাৰ পুণৰুদ্ধাৰৰ বাবে সংগ্ৰাম কৰি আহিছে। ১৯৪৭ চনৰ ভাৰতবৰ্ষৰ স্বাধীনতাৰ মাজেৰে গঢ় লৈ উঠা ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থাৰ মাজত অসমীয়াকে ধৰি বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহে চৰম শোষণ, বঞ্চনা আৰু নিৰ্যাতনৰ মাজত জীয়াই থাকিব লগীয়া হৈছে। ভাৰত ৰাষ্ট্ৰৰ অৱহেলাৰ বাবেই এই অঞ্চলৰ খিলঞ্জীয়া জনগণে আজি দেশী-বিদেশী অবাধ প্ৰব্ৰজনৰ জৰিয়তে নিজৰ অস্তিত্ব হেৰুওৱাৰ উপক্ৰম হৈছে। জনগণৰ ন্যায্য গণতান্ত্ৰিক দাবীসমূহৰ প্ৰতি ভাৰত ৰাষ্ট্ৰই কোনো কাৰ্যকৰী ৰাজনৈতিক সমাধানী ব্যৱস্থা নলৈ কেৱল কূট-কৌশল আৰু দমনমূলক নীতি গ্ৰহণ কৰি থকাৰ বাবেই এই অঞ্চলত বিভিন্ন সশস্ত্ৰ সংগঠন সমূহৰ জন্ম হৈছে। অসমৰ সাৰ্বভৌমত্বৰ দাবীত আলফাই ১৯৭৯ চনৰে পৰা এক সশস্ত্ৰ সংগ্ৰাম চলাই আহিছে। অসমৰ সকলো ৰাজনৈতিক দল, জনগোষ্ঠীয় সংগঠন ও জাতীয় গণসংগঠন সমূহে একেমুখে আলফাৰ বিষয়টো ৰাজনৈতিক আলোচনাৰে সমাধানৰ দাবী জনাই আহিছে যদিও ভাৰত ৰাষ্ট্ৰই তাত গুৰুত্ব আৰোপ নকৰি সামৰিক অভিযানেৰে অসমত এক জাতিধ্বংসী অভিযানৰ পাতনি মেলি জনগণৰ ওপৰত হত্যা-ধৰ্ষণ-নিৰ্যাতন অব্যাহত ৰাখিছে। চৰকাৰী সুৰক্ষা বাহিনী আৰু বিদ্ৰোহীৰে অস্ত্ৰ-সংঘাতৰ পৰিণতিত অসমত ব্যাপকভাৱে মানৱ সম্পদৰ হানি হোৱাৰ উপৰি ৰাজ্যখনৰ সামগ্ৰিক শান্তি-প্ৰগতিৰ বাট ৰূদ্ধ হৈ পৰিছে।

এনে এক সামাজিক পৰিস্থিতিত অসমৰ সৰ্বস্তৰৰ ৰাইজে স্থায়ী শান্তি বিচাৰি আলফা আৰু চৰকাৰ উভয় পক্ষৰ প্ৰতি আহ্বান জনায়। সশস্ত্ৰ সংগঠন আলফাই

ৰাইজৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজনৈতিক আলোচনাৰ প্ৰতি সমৰ্থন আগবঢ়াই পি.চি.জি. গঠন কৰে। আলফা মনোনীত পি.চি.জি.ৰে ভাৰত চৰকাৰৰ তিনি লানি আলোচনাই অসমৰ শান্তিকামী ৰাইজৰ মনত আশাৰ সঞ্চাৰ কৰিছিল যদিও মূৰকত শান্তি আলোচনাৰ পৰা চৰকাৰে কি দৰে কৌশলী পলায়ন কৰিলে সেইখিনি অসমৰ ৰাইজে ভালদৰে জানে।

ভাৰত চৰকাৰৰ আলফা বিৰোধী অভিযান কেৱল অসমতে সীমাবদ্ধ থকা নাই ; চুবুৰীয়া দেশ ভূটান, ম্যানমাৰলৈকো সম্প্ৰসাৰিত হৈছে। এনেবিলাক কাৰ্যকলাপে নিজকে গণতান্ত্ৰিক বুলি জাহিৰ কৰি ফুৰা ভাৰত ৰাষ্ট্ৰৰ সম্প্ৰসাৰণবাদী ও আধিপত্যকামী মানসিকতাক প্ৰতিপন্ন কৰে। ২০০৩ চনত ভাৰতে জোৰ কৰি ভূটানক সন্মত কৰাই ২০০৩ চনৰ ১৫ ডিচেম্বৰৰ পৰা অপাৰেচন 'অল ক্লিয়েৰ' অভিযান চলাই আলফাৰ শিবিৰসমূহ ধ্বংস কৰে। উক্ত অভিযানত ভাৰত-ভূটান যৌথ বাহিনীয়ে আটক কৰা আলফা, এন.ডি.এফ.বি. আৰু কে.এল.অ'. সংগঠনৰ বহু কৰ্মকৰ্তাৰ সন্ধান আজিকোপতি ভাৰত চৰকাৰে দিয়া নাই। অসমৰ মানৱ অধিকাৰ সংগঠনে ২০০৩ চনৰ ৩০ ডিচেম্বৰতেই ভূটানত আশ্ৰয় লৈ থকা অসমৰ সংগ্ৰামীসকলৰ জীয়াই থকাৰ মৌলিক অধিকাৰ ৰক্ষাৰ বাবে ন্যায়ালয়ত আবেদন জনাইছিল। মানৱ অধিকাৰ সংগঠনৰ আহ্বানত ভাৰত-ভূটান যৌথ বাহিনীৰ হেফাজেতত থকা সংগ্ৰামীসকলৰ বন্দী প্ৰত্যক্ষীকৰণৰ বাবে আন্তৰ্জাতিক ৰেডক্ৰছৰ প্ৰতিনিধিও আহিছিল। কিন্তু ভাৰত-ভূটান চৰকাৰে কৌশল কৰি বন্দী প্ৰত্যক্ষ নকৰোৱালে। ইয়াৰ পাছতো সন্ধানহীন সংগ্ৰামী সকলৰ আত্মীয়-স্বজনে বন্দী প্ৰত্যক্ষীকৰণৰ বাবে ন্যায়ালয়ৰ দাৰস্থ হৈছিল যদিও এতিয়ালৈকে একো সুফল নোপোৱাত সন্ধানহীন আলফা কৰ্মকৰ্তাৰ পত্নীসকলে আমৰণ অনশনৰ দৰে কঠোৰ গণতান্ত্ৰিক কাৰ্যসূচীৰ আশ্ৰয় ল'বলৈ বাধ্য হৈছে। অনশনৰত মহিলাসকলে প্ৰকাশ কৰিছে যে তেওঁলোকৰ নিৰুদ্দিষ্ট স্বামী জীৱিত নে মৃত অৰ্থাৎ , ইতিবাচক বা নেতিবাচক যিয়েই নহওক কিয় তাৰ এক নিৰ্ভৰযোগ্য উত্তৰ তেওঁলোকে ভাৰত চৰকাৰৰ পৰা বিচাৰিছে। উত্তৰটো যিয়েই নহওক কিয়, মানসিকভাৱে তাক গ্ৰহণ কৰিবলৈ তেওঁলোক প্ৰস্তুত। ইয়াৰোপৰি তেওঁলোকে অসমৰ স্থায়ী শান্তিৰ স্বাৰ্থত

অন্যান্য দাবীও উত্থাপন কৰিছে।

সেয়েহে জয়মতী-মূলাৰ আদৰ্শক সাৰোগত কৰি অসমৰ এইকেইগৰাকী নাৰীয়ে যি কঠোৰ গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰিছে তাৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰাটো প্ৰতিজন শান্তিকামী অসমবাসীৰ নৈতিক দায়িত্ব আছে। অসমৰ স্থায়ী শান্তিপ্ৰতিষ্ঠাৰ স্বাৰ্থত উক্ত মহিলাকেইগৰাকীয়ে লোৱা দাবীৰ সন্দৰ্ভত ভাৰত চৰকাৰক হেঁচা প্ৰয়োগ কৰিবলৈ আমি অসমৰ সকলো গণতান্ত্ৰিক ব্যক্তি আৰু সংগঠনসমূহৰ ওচৰত আন্তৰিক আহ্বান জনাইছো।

আজি নিজৰ স্বামীৰ সন্ধান বিচৰাৰ লগতে স্বদেশ-স্বজাতিৰ স্বাধিকাৰ সাব্যস্তৰ স্বাৰ্থত মণিপুৰৰ শৰ্মিলাৰ দৰে আমৰণ অনশনৰত এই নাৰীকেইগৰাকী ইতিহাসৰ জ্বলন্ত সংগ্ৰামী প্ৰতীক ৰূপে উজ্জীৱিত হৈ উঠিছে। তেওঁলোকৰ সংগ্ৰামী সত্তাৰ প্ৰতি আন্তৰিক সন্মান জনাইছো এটি কবিতাৰ পংক্তিৰে -

*"..... আমি যি সপোন দেখিছো*
*সেই সপোন সেউজীয়া*
*আমি যি তেজৰ নদীৰ ধুমুহাত*
*অৱগাহন কৰিছো*
*সেই নদীৰ নাম স্বাধীনতা*
*আমি ৰাতি ফুলা ফুল*
*সুবাসিত মুক্তি যোদ্ধা..."*

# ভাৰতৰ ৰাষ্ট্ৰপতিলৈ অনশনৰত মহিলাসকলৰ স্মাৰকপত্ৰৰ প্ৰতিলিপি

প্ৰতি,

ৰাষ্ট্ৰপতি, ভাৰত চৰকাৰ
ৰাষ্ট্ৰপতি ভৱন
নতুন দিল্লী।

তাং ঃ গুৱাহাটী, ২১ মাৰ্চ, ২০০৭

বিষয় ঃ অসমৰ জনগণৰ দুৰ্দশা দূৰীকৰণৰ বাবে

**(১) হেফাজতত সন্ধানহীন সকলৰ সন্ধান,**

**(২) অসমৰ সাৰ্বভৌমত্ব পুনঃস্থাপনৰ বিষয়তৈই অসম-ভাৰত সংঘাতৰ শান্তিপূৰ্ণ ৰাজনৈতিক সমাধান আৰু**

**(৩) 'আলফা'ৰ পাঁচ শীৰ্ষ বন্দী নেতাৰ মুক্তিৰ দাবীৰ প্ৰসংগত আমৰণ অনশন।**

মাননীয় মহাশয়,

অসমৰ সমূহ জনগণৰ হৈ আমি নিম্ন স্বাক্ষৰিত সকলে শ্ৰদ্ধাৰে সৈতে মহামান্যৰ সংশ্লিষ্ট মনোযোগ আকৰ্ষণ কৰি নিম্ন লিখিত দুখ-দুৰ্গতিসমূহ দূৰীকৰণৰ বাবে যথাযথ পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব পুনঃস্থাপনৰ বাবে বিগত ২৭ বছৰৰো অধিক সময় অসমত এক সশস্ত্ৰ সংগ্ৰামৰ পৰিস্থিতিয়ে বিৰাজ কৰিছে। এই সময়ছোৱাত মহিলা আৰু শিশুকে ধৰি আমাৰ হাজাৰ হাজাৰ লোকৰ প্ৰাণহানি হৈছে নতুবা জীৱনৰ বাবে পংগু হৈ গৈছে। ভাৰতীয় সুৰক্ষা বাহিনীৰ বিদ্ৰোহী বিৰোধী অভিযানৰ ফলত বহু লোক সেনা- পুলিচৰ হেফাজতৰ পৰা নিৰুদ্দেশ হৈছে তথা অজস্ৰ নাৰীয়ে সতীত্ব হেৰুৱাব লগা হৈছে। একেই ছবি দেখা যায় উত্তৰ-পূৰ্বাঞ্চলৰ

অন্য ৰাজ্য সমূহত বিশেষকৈ কমতাপুৰ, মণিপুৰ, নাগালেণ্ড আৰু ত্ৰিপুৰাত। সংযুক্ত মুক্তি বাহিনী, অসমৰ বিৰুদ্ধে ভাৰত ৰাষ্ট্ৰই ঘোষণা কৰা একপক্ষীয় যুদ্ধবিৰতি ঘোষণাই অসমত বিৰাজ কৰা সশস্ত্ৰ সংঘৰ্ষৰ অস্তিত্ব স্বীকাৰ কৰিছে।

সেনা - পুলিচৰ হেফাজেতত সন্ধানহীন হোৱা ঘটনাৰ ক্ষেত্ৰত স্বতন্ত্ৰভাৱে উল্লেখ কৰিব পৰা সংযুক্ত মুক্তি বাহিনী, অসমৰ নেতাকেইগৰাকীৰ নাম হৈছে - অশান্ত বাঘফুকন, ৰবীন নেওগ, বেনিং ৰাভা, নব চাংমাই, প্ৰকাশ গগৈ, অভিজিত ডেকা, নীলু চক্ৰবৰ্তী, ৰাণা ফুকন, অজয় নাৰ্জাৰী, গোবিন্দ বৈশ্য, উৎপল শইকীয়া, প্ৰদ্যুৎ কছাৰী আজিলৈকে সন্ধানহীন হৈ আছে যদিও ৰয়েল ভূটান সৈন্যই তেওঁলোকক ভাৰতীয় সৈন্যৰ হাতত ভূটান সংঘৰ্ষৰ সময়ত গতাই দিছিল। ভূটান চৰকাৰে এই তথ্য নিশ্চিত কৰিছে যদিও ভাৰত ৰাষ্ট্ৰই কৌশলেৰে তাক এৰাই গৈছে আৰু আজিলৈকে প্ৰকাশ কৰাৰ পৰা বিৰত আছে। আমি সকলো পথেৰে এই সন্ধানহীন সকলক বিচাৰি বিফল হৈছো। তেওঁলোক যদি এতিয়াও জীৱিত আছে বা তেওঁলোকক বিধি - নিয়মবৰ্জিত ভাৱে হত্যা-মৃত্যুদণ্ড দিয়া হৈছে তাক ভাৰত চৰকাৰে নিশ্চিত কৰক। পৃথিৱীৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ সশস্ত্ৰ বাহিনীয়ে চৰম লজ্জাজনকভাৱে মানৱ অধিকাৰ উলংঘন কৰিছে। আমি সংযুক্ত মুক্তি বাহিনী, অসমৰ উপৰোক্ত নেতাকেইগৰাকীৰ নিৰুদ্দেশৰ অজ্ঞাত সত্যটো উদ্ধাৰ কৰাৰ বাবে চূড়ান্ত গণতান্ত্ৰিক পন্থাৰে আমৰণ অনশন কাৰ্যসূচী অৱলম্বন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো।

এই সশস্ত্ৰ সংগ্ৰামখনৰ অচিৰেই সমাধান হোৱা উচিত যাতে জনসাধাৰণৰ দুখ-ভোগান্তি প্ৰসাৰিত নহয় আৰু তেওঁলোকে প্ৰকৃত শান্তি লাভ কৰি এক অৰ্থপূৰ্ণ জীৱন-যাপন কৰিব পাৰে। আমাৰ দৃঢ় বিশ্বাস যে এক শান্তিপূৰ্ণ ৰাজনৈতিক সমাধানেহে মাথোঁ সকলোৰে বাবে সন্তোষপূৰ্ণভাৱে সংঘাতৰ সমাধান কৰিব পাৰে।

গতিকে আমাৰ মানৱাধিকাৰক উৰ্দ্ধত ৰাখি (১) হেফাজেতত সন্ধানহীন হোৱা সকলৰ প্ৰকৃত সত্যটো উন্মোচিত, (২) 'আলফা'ৰ পাঁচ শীৰ্ষ বন্দী নেতাৰ নিঃচৰ্ত মুক্তি আৰু (৩) অসমৰ সাৰ্বভৌমত্ব পুনঃস্থাপনৰ বিষয়টোত অসম-ভাৰত সংঘাতৰ এক শান্তিপূৰ্ণ ৰাজনৈতিক সমাধানৰ বাবে মহামান্য ৰাষ্ট্ৰপতিৰ প্ৰত্যক্ষ

হস্তক্ষেপৰ বাবে আমি মিনতি সহকাৰে অনুৰোধ কৰিছো।

এই বাস্তৱতাৰ পৰিপ্ৰেক্ষিতত আমাৰ উদ্দেশ্য সিদ্ধি নোহোৱা পৰ্যন্ত আমি গণতান্ত্ৰিক সংগ্ৰাম-আমৰণ অনশন চলাই যোৱাটোৱেই একমাত্ৰ বিকল্প।

**স্বাক্ষৰ ঃ**

(১) *মালিনী ইংতিপী (হেমা হাঞ্চেপী)*
স্বামী ঃ *অশান্ত বাঘফুকন*

(২) *মেনকা চেতিয়া (মিনাক্ষী বৰবৰুৱা)*
স্বামী ঃ *মুহি দিহিঙীয়া (নৱ চাংমাই)*

(৩) *শ্যামলী গগৈ*
স্বামী ঃ *পোণাৰাম দিহিঙীয়া (প্ৰকাশ গগৈ)*

(৪) *অনিমা দেৱী (ৰাভা)*
স্বামী ঃ *বেনিং ৰাভা*

(৫) *কবিতা চক্ৰবৰ্তী*
স্বামী ঃ *নীলু চক্ৰবৰ্তী*

**প্ৰতিলিপি ঃ**

(১) চেক্ৰেটেৰী জেনেৰল, ৰাষ্ট্ৰসংঘ, জেনেভা
(২) প্ৰধানমন্ত্ৰী, ভাৰত চৰকাৰ, নতুন দিল্লী
(৩) গভৰ্ণৰ, অসম
(৪) মুখ্যমন্ত্ৰী, অসম
(৫) ৰেডক্ৰচ, জেনেভা